**17 E—ADAS**

# 2017

## ADVANCE ASSAMESE

*Full Marks* : 100

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) ফাটি বাজ ভৈলা পাছে নৰসিংহ ৰূপে।
এৰে ডেৰে হিৰণ্যক ধৰিলা আটোপে॥

'নৰসিংহ' ৰূপ কি? হিৰণ্যকশিপু কোন? নৰসিংহই কিয় হিৰণ্যকশিপুক আক্ৰমণ কৰিলে? লিখা। ১+১+৩=৫

*অথবা*

(খ) 'শিৱৰ কৃষি-কৰ্ম' কবিতাটিৰ উৎস গ্ৰন্থ কি? ভীমক ভাত খুৱাবলৈ গৈ পাৰ্বতীৰ কি অৱস্থা হৈছিল? বৰ্ণনা কৰা। ১+৪=৫

২। প্ৰসংগ-সংগতি দৰ্শাই তলৰ যি কোনো এফাকি ব্যাখ্যা কৰা : ২+৩=৫

(ক) যত শুঙো, চুমা খাওঁ, নালাগে আমনি,
হৃদয়ত হেঁপাহৰ ভোটাতৰা জ্বলে।

(খ) ৰূপহী আইটী অকালত হায়
বেজাৰত গ'ল মৰি,
সুগন্ধি গোলাপ নিজানত ফুলি
নিজানত গ'ল সৰি।

৩। তলৰ যি কোনো এজন কবিৰ চমু পৰিচয় দিয়া : ৫

হেমচন্দ্ৰ গোস্বামী ; ৰাম সৰস্বতী ; আনন্দচন্দ্ৰ আগৰৱালা।

৪। তলৰ প্ৰশ্নবোৰৰ চমু উত্তৰ দিয়া : ১×৫=৫

(ক) অসমীয়া সাহিত্যৰ প্ৰথম লিখিত কবিতা-পুথিখনৰ নাম কি?

(খ) ৰাম সৰস্বতী কোন যুগৰ কবি?

(গ) অসমীয়া সাহিত্যত প্ৰথম ছনেট ৰচোঁতা কোন?

(ঘ) অসমীয়া সাহিত্যত ভাঙনী কোঁৱৰ কোন?

(ঙ) 'অগ্নিমন্ত্ৰ' কবিতা-পুথিখনৰ ৰচক কোন?

৫। (ক) শংকৰদেৱৰ শিশুকালৰ সমনীয়াসকলৰ নাম লিখা আৰু তেওঁলোকৰ লগত কি কি খেল খেলিছিল? লিখা। ২+৩=৫

*অথবা*

(খ) আলংকাৰিকসকলে সাহিত্যত কেইবিধ ৰসৰ কথা কৈছে আৰু সেইবোৰ কি কি? অংকীয়া নাটত কি ৰস প্ৰকাশ পাইছে? চমুকৈ লিখা। ১+২+২=৫

৬। চমু টোকা লিখা (যি কোনো দুটা) : ৩×২=৬

টুৰ্গেনিভ ; নালন্দা ; অজন্তা ; সত্যেন্দ্ৰনাথ শৰ্মা।

৭। চমু উত্তৰ দিয়া : ১×৪=৪

(ক) 'শংকৰদেৱৰ বাল্যকাল'—এই পাঠটিৰ উৎস গ্ৰন্থখনৰ নাম কি?

(খ) কৃষ্ণকান্ত সন্দিকৈয়ে লিখা এখন গ্ৰন্থৰ নাম উল্লেখ কৰা।

(গ) 'ৱাৰ এন্দ্ পিছ্' (War and Peace) নামৰ গ্ৰন্থখনৰ লেখক কোন?

(ঘ) 'ডুগডুগলি' কি?





৮। 'টিকেন্দ্ৰজিৎ' নাটকৰ নায়কৰ চৰিত্ৰটোৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা। ৬

৯। (ক) যি কোনো দুটা চৰিত্ৰৰ বিষয়ে চমুকৈ লিখা : ৩×২=৬

চন্দ্ৰলেখা ; ব'ৰাগী ; সুবচন্দ্ৰ ; মিঃ কুইন্টন।

(খ) "লোক্টাক্ হ্ৰদৰ নিৰ্মল নিজম পানীত কি সুখদায়ক আমাৰ এই নৌকাভ্ৰমণ।" এই সংলাপটি কোনে, কাৰ আগত কৈছে, ব্যাখ্যা কৰা। ১+১+২=৪

(গ) "...মানুহে কয় প্ৰকৃতিৰ বুকুত নগাৰ ঘৰত মোৰ জন্ম হৈছিল।" নগাৰ ঘৰত কাৰ জন্ম হৈছিল? তেওঁ কাৰ আগত আৰু কিয় এইদৰে কৈছে, লিখা। ১+১+২=৪

১০। (ক) "যীশুখৃষ্টৰ ছবি নহয়, যীশুখৃষ্টৰ ফটো।" এই কথাষাৰৰ আঁত ধৰি 'যীশুখৃষ্টৰ ছবি' নামৰ গল্পটোৰ মূল কথাখিনি লিখা। ৫

*অথবা*

(খ) "মুক্তি—আঃ কি মধুৰ।" মঞ্জুলাই কি ধৰণৰ মুক্তি বিচাৰিছিল? সেই মুক্তি তেওঁ পালেনে? বুজাই লিখা।

১১। (ক) "নাই বাইদেউ, এনেকৈ পাকঘৰতে জীৱনটো শেষ কৰি নিদিব—এটা ৰান্ধনি-চান্ধনি ৰাখ।" কথাষাৰ কোনে, কি প্ৰসংগত কৈছিল? লিখা। ১+২=৩

(খ) চৈয়দ আব্দুল মালিকৰ প্ৰথম প্ৰকাশিত চুটিগল্প সংকলনখনৰ নাম কি? তেওঁ কোনখন উপন্যাসৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰে? ১+১=২

১২। (ক) ছন্দ কি? ই কেইবিধ? প্ৰতিবিধৰে সূত্ৰ লিখি উদাহৰণ দিয়া। ২+১+৩=৬

(খ) যি কোনো দুবিধ ছন্দৰ সূত্ৰ লিখি উদাহৰণ দিয়া : ২+২=৪

কুসুমমালা ; দুলড়ী ; ঝুমুৰী।

১৩। (ক) কৱিতাৰ এটি সূত্ৰ লিখা। ইয়াৰ বৈশিষ্ট্যসমূহ সামৰি এটি আলোচনা আগবঢ়োৱা। ৬

*অথবা*

(খ) নাটকৰ গঠন প্ৰণালীৰ উপাদানসমূহ কি কি? ইয়াৰ যি কোনো এবিধৰ বিষয়ে বৰ্ণনা কৰা। ৩+৩=৬

১৪। তলৰ যি কোনো দুটাৰ বিষয়ে চমুকৈ লিখা : ২×২=৪

(ক) সামাজিক নাটক

(খ) মহাকাব্য

(গ) বেলাড

(ঘ) কমেডী

১৫। কৱি হিচাপে চন্দ্ৰকুমাৰ আগৰৱালা *অথবা* পদ্মনাথ গোহাঞিবৰুৱাৰ এটি পৰিচয় দাঙি ধৰা। ৫

১৬। অসমীয়া নাট্য-সাহিত্যলৈ জ্যোতিপ্ৰসাদ আগৰৱালা *অথবা* দুৰ্গেশ্বৰ শৰ্মাৰ অৱদানৰ বিষয়ে লিখা। ৫

১৭। চমু উত্তৰ দিয়া : ১×৫=৫

(ক) 'কদমকলি' কাৰ কৱিতা সংকলন?

(খ) প্ৰথম অসমীয়া ছনেটটোৰ নাম কি?

(গ) 'জ্ঞানমালিনী' কৱিতা-পুথিখনৰ ৰচক কোন?

(ঘ) পদ্মনাথ গোহাঞিবৰুৱাই লিখা এখন বুৰঞ্জীমূলক নাটকৰ নাম লিখা।

(ঙ) লক্ষ্মীনাথ বেজবৰুৱাই লিখা এখন প্ৰহসনৰ নাম লিখা।

***